# অধ্যায় - ৩

# বজাৰ বিফলতা

# (Market Failure)

[কোনো এখন অৰ্থনীতিত বজাৰ ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম। কাৰণ, আৰ্থিকভাৱে দক্ষ উপযুক্ত বজাৰ ব্যৱস্থাইহে উৎপাদনৰ গুণগত দিশ আৰু গভীৰতাক নিৰ্দেশ কৰে— যিয়ে অৰ্থনীতিখনৰ সৰ্বোপৰি উন্নতি সাধন কৰে। কিন্তু আজিৰ এই গোলকীকৰণৰ যুগত বহুবোৰ উপাদানে (যেনে— অনাহক প্ৰতিযোগিতা, উপযুক্ত তথ্য সংবাদ ব্যৱস্থাৰ অভাৱ, বিক্ৰী ব্যয়ৰ পৰিসৰ বৃদ্ধি ইত্যাদি) বজাৰ ব্যৱস্থাৰ প্ৰতি অনিশ্চয়তা আৰু সংশয়ৰ সৃষ্টি কৰে। যাৰ ফলত বজাৰ ব্যৱস্থাটোৱে দক্ষভাৱে আৰ্থিক কাৰ্যকলাপ কৰাত অপাৰগ হয়। এনেকুৱা পৰিস্থিতি উদ্ভৱ হোৱাকে সহজ ভাষাত বজাৰ ব্যৰ্থতা বা বিফলতা বুলি কোৱা হয়।] এই বজাৰ বিফলতা আঁতৰাবৰ কাৰণে চৰকাৰে বহু পদক্ষেপ হাতত লোৱা দেখা যায়। যিয়ে ৰাইজে তথা সমাজৰ বহু হিতকাৰী হিচাপে চিহ্নিত হয়।

এই অধ্যায়ত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ কাৰ্যদক্ষতা আৰু লগতে বাহ্যিকতা, ৰাজহুৱা সামগ্ৰী আৰু অসম্পূৰ্ণ তথ্য সংবাদে কিদৰে এখন অৰ্থনীতিৰ বজাৰ ব্যৱস্থাক বিফলতাৰ ফালে খেলি দিয়ে সেই বিষয়ে অধ্যয়ন কৰা হ'ব।

Scanned with CamScanner

**৩ (ক) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ কাৰ্যদক্ষতা (Efficiency of Perfect Competition)**

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এনেকুৱা এক বজাৰ ব্যৱস্থা য'ত অসংখ্য গ্ৰাহক আৰু বিক্ৰেতাই যথাক্ৰমে চাহিদা আৰু যোগানৰ ক্ৰিয়া প্ৰক্ৰিয়াৰ মাজেৰে পূৰ্ণ সাদৃশ্যযুক্ত সামগ্ৰীৰ দাম নিৰ্ধাৰণ কৰে। এনে বজাৰত গ্ৰাহক আৰু বিক্ৰেতাৰ মুক্ত প্ৰৱেশ আৰু মুক্ত প্ৰস্থান সম্ভৱ হয়। ইয়াৰোপৰি বজাৰত বিক্ৰী হোৱা সামগ্ৰীৰ দাম, গুণাগুণ আদি যাৱতীয় তথ্যপাতিৰ বিষয়ে ক্ৰোতা আৰু বিক্ৰেতা দুয়োয়ে সম্পূৰ্ণভাৱে অৱগত হয়। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বিশিষ্টতাৰ বাবে এই বজাৰক অৰ্থনৈতিক কাৰ্যদক্ষতাৰ এক উপযুক্ত মানদণ্ড হিচাপে ব্যৱহাৰ কৰিব পাৰি; যদিও বৰ্তমান সময়ত বহু অৰ্থনীতিবিদে ইয়াক সমৰ্থন আগবঢ়োৱা নাই।

অৰ্থনৈতিক কাৰ্যদক্ষতাৰ বিষয়ে সঞ্চালনমূলক দক্ষতা আৰু উৎপাদনমূলক দক্ষতা (Productive efficiency)ৰ জৰিয়তে সহজতে বুজিব পৰা যায়। সঞ্চালনমূলক দক্ষতাই ভোক্তাৰ উদ্ধৃত্ত আৰু উদ্যোক্তাৰ উদ্ধৃত্ত সৰ্বোচ্চ হোৱাৰ পৰিস্থিতি এটাক বুজায়। উৎপাদিত দ্ৰব্যৰ পৰিমাণৰ তাৰতম্য ঘটাই এই উদ্ধৃত্তৰ পৰিমাণ বঢ়োৱাৰ কোনো সম্ভাৱনা নাথাকে। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত যেতিয়া বজাৰ দৰ প্ৰান্তিক উৎপাদিত খৰচৰ সমান হয় বা যেতিয়া প্ৰান্তিক সামাজিক খৰচ (Marginal Social Cost) প্ৰান্তিক সামাজিক লাভ (Marginal Social Beafit)ৰ সমান হয় তেতিয়া বজাৰখন সঞ্চালনমূলকভাৱে দক্ষ বুলি ক'ব পৰা যায়। এনেকুৱা অৱস্থাত পেৰিট' (Pareto)ৰ সামাজিক কাম্যতা নীতিও (Social optimum) পৰিপূৰণ হয় য'ত উল্লেখ আছে— 'এজনৰ ক্ষতি নকৰাকৈ আন এজনৰ অৱস্থা উন্নত কৰাটো অসম্ভৱ।' (No one can be made better off without at least one other person being made worse off)।


আনহাতে, উৎপাদনী দক্ষতাই অপচয় অবিহনে উৎপাদন কৰাকে বুজায়। উৎপাদনী দক্ষতা পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দীৰ্ঘকালত সৃষ্টি হয় আৰু



এই দক্ষতাৰ বাবে স্বাভাৱিক দৰ (Normal Price) নিম্নতম মুঠ গড় ব্যয়ৰ (Minimum Average total cost) সমানে হোৱা প্ৰয়োজন।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ কাৰ্যদক্ষতা চিত্ৰৰ সহায়ত তলত ব্যাখ্যা কৰা হ'ল।

চিত্ৰ ঃ (ক) চিত্ৰ ঃ (খ)




চিত্ৰ (ক) (বাওঁফালৰ অংশ), OX আৰু OY অক্ষত ক্ৰমান্বয়ে উৎপাদনৰ পৰিমাণ আৰু বজাৰ দৰ দেখুওৱা হৈছে।

চাহিদা ৰেখা (AD)এ যোগান ৰেখা (BS)ক E বিন্দুক কটাকটি কৰাৰ ফলত OP ভাৰসাম্য দৰ নিৰ্ধাৰিত হৈছে। (AD ৰেখাক প্ৰান্তিক সামাজিক লাভ (MSB) আৰু (BS) ৰেখাক প্ৰান্তিক সামাজিক খৰচ (MSC) হিচাপে ধৰি লোৱা হৈছে।) যেতিয়া ভাৰসাম্য দৰ (OP) তেতিয়া ভাৰসাম্য উৎপাদনৰ পৰিমাণ (OQ)। এই অৱস্থাত ভোক্তাৰ উদ্ধৃত হ'ল ΔAPE আৰু উদ্যোক্তাৰ উদ্ধৃত্ত হ'ল ΔBEP। চিত্ৰৰ পৰা এইটো বুজিব পৰা যায় যে উৎপাদিত পৰিমাণ (OQ)তকৈ বঢ়াই বা কমাই ভোক্তাৰ উদ্ধৃত্ত বা উদ্যোক্তাৰ উদ্ধৃত্ত বঢ়োৱাৰ কোনো সম্ভাৱনা

নাই। যিহেতু E বিন্দুত MSB = MSC, সেয়েহে এইটো ক'ব পাৰি যে OQ পৰিমাণৰ উৎপাদনত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰখনৰ উদ্যোগটো সঞ্চালনমূলকভাৱে দক্ষ। যদিহে OQ তকৈ কম পৰিমাণৰ (ধৰা হ'ল, OQ) উৎপাদন কৰা হয় তেতিয়া দেখা পাও যে MSB>MSC আৰু যদিহে OQতকৈ বেছি পৰিমাণৰ উৎপাদন হয় তেতিয়া MSB<MSC; যিটো সঞ্চালনমূলকভাৱে কাৰ্যদক্ষ বুলি ক'ব পৰা নাযায়।

একেদৰে, সোঁফালৰ চিত্ৰতো OX আৰু OY অক্ষত ক্ৰমান্বয়ে উৎপাদনৰ পৰিমাণৰ আৰু বজাৰ দৰ দেখুওৱা হৈছে। যেতিয়া উৎপাদনৰ পৰিমাণ (OQe) তেতিয়া দীৰ্ঘকালীন গড় খৰচ (LRATC) বজাৰ দৰ (OP)ৰ সমান হৈছে। উল্লেখযোগ্য যে $E_1$ বিন্দুত দীৰ্ঘকালীন গড় খৰচ সৰ্বনিম্ন হৈছে। সেয়েহে ক'ব পাৰো $E_1$ বিন্দুত উদ্যোগটোৱে উৎপাদনী দক্ষতা আহৰণ কৰিছে, কিন্তু '$E_1$' বা 'Qe' ৰ সোঁফাল বা বাওঁফালে উৎপাদনী দক্ষতা দেখুৱাবলৈ সামগ্ৰী হোৱা নাই। যিহেতু দীৰ্ঘকালীন গড় খৰচ (LRATC) কেৱল $E_1$ বিন্দুতহে সৰ্বনিম্ন হৈছে।

**৩ (খ) বজাৰ বিফলতাৰ উৎস (Sources of Market Failure)**

এটা বা ততোধিক উপাদানৰ প্ৰভাৱত বজাৰ বিফলতা হ'ব পাৰে। তাৰেই ভিতৰত—

(i) বাহ্যিকতা (externalities)

(ii) ৰাজহুৱা দ্ৰব্য (public goods) আৰু

(iii) অসম্পূৰ্ণ বা ত্ৰুটিপূৰ্ণ তথ্যই (imperfect or asymmetric information) উল্লেখযোগ্য।



ওপৰৰ উল্লেখিত তিনিওটা উৎস বজাৰ বিফলতাৰ লগত কিদৰে জড়িত হৈ থাকে তাক তলত ব্যাখ্যা কৰা হ'ল।

**(i) বাহ্যিকতা আৰু বজাৰ বিফলতা (Externalities & Market Failure)**

বাস্তৱ জীৱনত আমি সঘনে দেখা পাও যে কোনো এটা বস্তু উৎপাদন বা ভোগকাৰ্যৰ ফলত কিছুমান ধনাত্মক বা ঋণাত্মক প্ৰভাৱে আন এটা তৃতীয় পক্ষক প্ৰভাৱিত কৰে। এনেকুৱা ধৰণৰ প্ৰভাৱকে অৰ্থনীতিত বাহ্যিকতা বুলি কোৱা হয়। উদাহৰণস্বৰূপে, এটা কাৰখানাৰ পৰা নিৰ্গত হোৱা দূষিত গেছৰ কথাকে ক'ব পাৰি। কাৰখানাৰ দূষিত গেছে সমাজৰ পৰিৱেশ দূষিত কৰি নানানভাৱে সমাজক ক্ষতিগ্ৰস্ত কৰে। যিটো এটা ঋণাত্মক বাহ্যিকতাৰ উদাহৰণ। এই ঋণাত্মক বাহ্যিকতাই সামাজিক ব্যয় (Social cost)ৰ সৃষ্টি কৰে যিটো ব্যক্তিগত ব্যয়তকৈ অধিক হয়।

বাহ্যিকতাই সামাজিক আৰু ব্যক্তিগত ব্যয়ৰ আৰু সুবিধাৰ মাজত পাৰ্থক্য সৃষ্টি কৰে; কিন্তু উৎপাদন প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্যৰ দৰত এনে ব্যক্তিগত আৰু সামাজিক ব্যয় আৰু সুবিধাৰ তথ্য অন্তৰ্ভুক্ত নহয়। সেইকাৰণে দ্ৰব্যৰ দৰক সম্পূৰ্ণভাৱে প্ৰতিনিধিত্বমূলক বুলি ক'ব পৰা নাযায় আৰু এই অৱস্থাই সম্পদৰ কাম্য (optimum) প্ৰয়োগ সম্ভৱ নকৰে। ইয়াৰ পৰা এইটোকে বুজিব পাৰি যে বাহ্যিকতাৰ কাৰণে বজাৰ বিফলতাৰ সন্মুখীন হ'বলগীয়া হয়।

বাহ্যিকতাৰ পৰা হোৱা বজাৰ ব্যৰ্থতা ৰোধ কৰাৰ কাৰণে চৰকাৰে কেইটামান ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। যেনে—

(১) সমাজত ঋণাত্মক বাহ্যিকতা সৃষ্টি ক্ষেত্ৰসমূহত কৰ আৰোপ আৰু ধনাত্মক বাহ্যিকতা সৃষ্টি হোৱা ক্ষেত্ৰসমূহক ৰেহাইমূলক সুবিধা প্ৰদান কৰা।

Scanned with CamScanner

(২) সম্পত্তিৰ স্বত্বৰ উপযুক্ত সংজ্ঞা প্ৰদান আৰু ইয়াৰ ওপৰত চৰকাৰৰ কৰ্তৃত্ব স্থাপন।

(৩) চৰকাৰৰ দ্বাৰা উপযুক্ত নীতি গঠন আৰু আৰোপ কৰা।

**(ii) ৰাজহুৱা দ্ৰব্য আৰু বজাৰ বিফলতা (Public goods & Market Failure)**

ৰাজহুৱা দ্ৰব্য বুলি ক'লে সাধাৰণতে ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা ব্যৱস্থা, জনস্বাস্থ্য সেৱা, শান্তিৰক্ষা বাহিনীয়ে প্ৰদান কৰা সুবিধা, ধৰ্মীয় অনুষ্ঠান, ন্যায়ালয় ইত্যাদিৰ কথাই পোনপ্ৰথমে মনলৈ আহে। কাৰণ এই দ্ৰব্যবোৰ ব্যৱহাৰ কৰি পোৱা উপযোগিতা এজন ব্যক্তিয়ে পোৱাৰ পিছত আন ব্যক্তিয়ে নাপায় বুলি ক'ব নোৱাৰি।

এই দ্ৰব্যবোৰ ব্যৱহাৰৰ বাবদ পোৱা প্ৰান্তিক সামাজিক উপযোগিতা সকলো লোকৰ বাবে সমান হয়। সেয়ে ৰাজহুৱা দ্ৰব্য বুলিলে আমি ইয়াকে বুজিব পাৰো যে— মূল্য পৰিশোধ নকৰাকৈ যিবোৰ দ্ৰব্য ব্যৱহাৰ কৰি সমাজৰ প্ৰত্যেক লোকে সামূহিক উপযোগিতা লাভ কৰে।

ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত বহিষ্কৰণ নীতি (Principle of Exclusion) প্ৰয়োগ নহয়। যিহেতু ৰাজহুৱা দ্ৰব্য ব্যৱহাৰৰ বাবে কোনো মূল্য আৰোপ কৰা নহয় গতিকে কোনো উপভোক্তাই এই দ্ৰব্য ব্যৱহাৰৰ পৰা বঞ্চিত নহয়। ইয়াৰোপৰি ৰাজহুৱা দ্ৰব্য প্ৰতিদ্বন্দ্বিতাবিহীন (Non-rival) অৰ্থাৎ, এনে দ্ৰব্য এজন ব্যক্তিয়ে ভোগ কৰাৰ ফলত আন লোকলৈ ইয়াৰ ব্যৱহাৰিক উপযোগিতা কমি নাযায়। এনেকুৱা ধৰণৰ বিশিষ্টতাৰ বাবেই ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত মুক্ত চোৰাৰীৰ সমস্যা (Free Rider problem) উদ্ভৱ হয়। যেতিয়া এজন উপভোক্তাই ৰাজহুৱা দ্ৰব্যৰ কোনো মূল্য প্ৰদান নকৰাকৈ ইয়াক উপভোগ কৰিবলৈ সুবিধা লাভ কৰে তেতিয়া তেওঁকেই মুক্ত চোৰাৰী (Free Rider) বুলি আখ্যা দিয়া হয়।



এয়া উল্লেখযোগ্য যে পৰিত্যাগ নীতি প্ৰযোজ্য নোহোৱাৰ বাবে ৰাজহুৱা দ্ৰব্যৰ দৰ আৰু প্ৰান্তিক ব্যয়ৰ মাজত সমতা স্থাপন নহয়। তাৰোপৰি, ৰাজহুৱা দ্ৰব্য বজাৰ ব্যৱস্থাৰ মাজেৰে সম্পূৰ্ণভাৱে বিক্ৰী কৰাটো সম্ভৱপৰ নোহোৱাৰ বাবে ব্যক্তিগত খণ্ডবোৰো উৎপাদন কাৰ্যত জড়িত নাথাকে।

ইয়াৰ পৰা ইয়াকে বুজা যায়, ৰাজহুৱা দ্ৰব্যৰ ফলত সৃষ্টি হোৱা সামাজিক সুবিধা (Social Benefit) সামাজিক ব্যয়তকৈ (Social Cost) অধিক হয় আৰু এই পাৰ্থক্যই ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত বজাৰ বিফলতাৰ দিশটো প্ৰতিফলিত কৰে।

**(iii) অসম্পূৰ্ণ বা ত্ৰুটিপূৰ্ণ তথ্য (Imperfect/Asymmetric Information)**

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত এয়া ধৰি লোৱা হয় যে গ্ৰাহক আৰু বিক্ৰেতা বজাৰ ব্যৱস্থা সম্পৰ্কে সম্পূৰ্ণ যাৱতীয় তথ্য শুদ্ধ আৰু পূৰ্ণাংগভাৱে জ্ঞাত বুলি, কিন্তু এই অভিধাৰণা অবাস্তৱ। কাৰণ বাস্তৱ জগতত ব্যক্তি প্ৰতিষ্ঠানৰ বজাৰ ব্যৱস্থা সম্পৰ্কত পূৰ্ণ জ্ঞানৰ অভাৱ দৃষ্টিগোচৰ হয়। উদাহৰণস্বৰূপে, দ্ৰব্যৰ দৰ আৰু মানদণ্ডৰ সম্পৰ্কত উপভোক্তাসকলৰ শুদ্ধ তথ্যৰ অভাৱ হয় আৰু এই তথ্য আহৰণৰ বাবে তেওঁলোকে সময় আৰু ধন ব্যয় কৰিবলৈ প্ৰস্তুত নহয়। এনেকুৱা ধৰণৰ অসম্পূৰ্ণ তথ্যৰ সুযোগ গ্ৰহণ কৰি এচাম বিক্ৰেতা তথা উৎপাদনকাৰীয়ে নিম্ন মানদণ্ডৰ দ্ৰব্য বজাৰত এৰি দিয়া দেখা যায় যাৰ ফলত গ্ৰাহকসকলে বস্তুটোৰ পৰা প্ৰকৃত সন্তুষ্টি পাবলৈ অসামৰ্থ হয়। কেতিয়াবা এনেকুৱা নিম্ন মানদণ্ডৰ বস্তু উচ্চ দৰত বিক্ৰী কৰাও দেখা পোৱা যায়। অসম্পূৰ্ণ বা ত্ৰুটিপূৰ্ণ তথ্যৰ লগত জড়িত অনুৰূপ ধৰণৰ সমস্যা উৎপাদনকাৰীৰ ক্ষেত্ৰটো দেখা পোৱা যায়।

Scanned with CamScanner

উপভোক্তা আৰু উৎপাদনকাৰীয়ে নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত কাম্য অৱস্থাত উপনীত হোৱা বুলি ভাৱে যদিও প্ৰকৃততে সেই লক্ষ্যত উপনীত হ'বলৈ অপাৰগ হয়। যিয়ে বজাৰ বিফলতাৰ দিশটো নিৰ্দেশ দিয়ে।

উপযুক্ত তথ্যৰ অভাৱৰ বাবে সৃষ্টি হোৱা বজাৰ বিফলতা আঁতৰাবৰ বাবে চৰকাৰে বিভিন্ন সংস্থাৰ যোগেদি লাগতিয়াল তথ্যপাতি উদ্যোক্তা তথা উপভোক্তাৰ যোগান ধৰিব পাৰে। যিয়ে দুয়ো পক্ষকে কাম্য অৱস্থাত উপনীত হ'বলৈ সহায় কৰিব।

Scanned with CamScanner